**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-06-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

ooooooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তিনিদিনীয়া ভ্ৰমণসূচীৰে চিচিলিলৈ বুলি ৰাওনা হৈছে।

২। চিচিলিয়ে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য পদৰ বাবে ভাৰতে জনাই অহা দাবীৰ প্ৰতি সমৰ্থন আগবঢ়াইছে।

৩। এছ্ আই আৰ প্ৰক্ৰিয়াৰ গণনা পত্ৰৰ এশ শতাংশ ডিজিটেল ৰূপ দিয়াৰ ক্ষেত্ৰত মিজোৰাম ১৬খন ৰাজ্য আৰু ৩খন কেন্দ্ৰীয়শাসিত অঞ্চলৰ ভিতৰত প্ৰথম ৰাজ্য হিচাপে পৰিগণিত হৈছে।

৪। পাঞ্জাৱ আৰক্ষীয়ে অমৃতসৰত সীমান্তৰে অবৈধ অস্ত্ৰ-শস্ত্ৰ সৰবৰাহ কৰা এটা চক্ৰ উৎখাত কৰিছে।

আৰু

৫। ভাৰতৰ দেৰিকা ছিহাগ আৰু ৰৌনক চৌহানে ইউ এছ্ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ইতিমধ্যে তিনিদিনীয়া ভ্ৰমণসূচীৰে চিচিলিলৈ বুলি ৰাওনা হৈছে। ভ্ৰমণকালত শ্ৰী মোদীয়ে চিচিলিৰ ৰাষ্ট্ৰীয় দিৱসৰ সোণালী জয়ন্তী উদযাপন সমাৰোহত মুখ্য অতিথি হিচাপে ভাগ ল'ব। দেশখনলৈ বুলি ৰাওনা হোৱাৰ পূৰ্বে দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে চিচিলি ভাৰতৰ সমুদ্ৰৰে সংলগ্ন গুৰুত্বপূৰ্ণ চুবুৰীয়া ৰাষ্ট্ৰ আৰু মহাসাগৰ দৃষ্টিভংগী তথা গ্ল'বেল ছাউথ হিচাপে পৰিচিত অৰ্থনৈতিক আৰু ঔদ্যোগিক দিশৰ পৰা তুলনামূলকভাৱে কম উন্নত ৰাষ্ট্ৰসমূহৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ মূল সহযোগী। চলিত বৰ্ষৰ দুয়োখন দেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৫০ বছৰ সম্পূৰ্ণ হ'ব বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে তেওঁ চিচিলিৰ ৰাষ্ট্ৰপতি ডঃ পেইট্ৰিক হৰ্মিনিৰ সৈতে হ'বলগীয়া আলোচনালৈ আগ্ৰহেৰে বাট চাই আছে। এই আলোচনাই দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক আৰু ভাৰত মহাসাগৰ অঞ্চলৰ সামুদ্ৰিক সহযোগিতা অধিক সুদৃঢ় কৰিব বুলি শ্ৰী মোদীয়ে আশা প্ৰকাশ কৰে। ভ্ৰমণ কালত প্ৰধানমন্ত্ৰী মোদীয়ে চিচিলিৰ সংসদক উদ্দেশ্যি ভাষণ দিব। শ্ৰী মোদী দেশখনৰ সংসদৰ প্ৰতি ভাষণ দিয়া ভাৰতৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী হ'ব। শ্ৰী মোদীয়ে লগতে দেশখনত বাস কৰা প্ৰবাসী ভাৰতীয়সকলৰ সৈতেও মত বিনিময় কৰিব।

ooooooooo

চিচিলিয়ে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য পদৰ বাবে ভাৰতে জনাই অহা দাবীৰ প্ৰতি সমৰ্থন আগবঢ়াইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চিচিলিত উপস্থিত হোৱাৰ পূৰ্বে দ্বীপ ৰাষ্ট্ৰখনৰ বিদেশ মন্ত্ৰী বেৰি ফ'ৰেই কয়,

যে বৰ্তমানৰ বাস্তৱিকতাৰ প্ৰতিফলন ঘটাব পৰাকৈ বিশ্ব শৃংখলা আৰু গোলকীয় প্ৰতিষ্ঠানসমূহত সংস্কাৰৰ প্ৰয়োজন আছে। তেওঁ কয়, যে জনসংখ্যা, বৰ্ধিত গোলকীয় প্ৰভাৱ আৰু শান্তিৰক্ষা, সামাজিক সুৰক্ষা আৰু বহুপাক্ষিক কূটনীতিৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে ভাৰত নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য পদৰ প্ৰৱল দাবীদাৰৰূপে পৰিগণিত হৈছে। ভাৰত আৰু চিচিলিৰ মাজৰ সম্বন্ধক শক্তিশালী আৰু ঐতিহাসিক বুলি অভিহিত কৰি শ্ৰী ফ'ৰে কয়, যে প্ৰধানমন্ত্ৰী মোদীৰ ভ্ৰমণে দুয়োখন দেশৰ মাজৰ সহযোগিতা অধিক সুদৃঢ় কৰি তুলিব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৫ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী-দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০০০

ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধন প্ৰক্ৰিয়াৰ অধীনৰ গণনা পত্ৰৰ এশ শতাংশ ডিজিটেল ৰূপ দিয়াৰ ক্ষেত্ৰত মিজোৰাম ১৬ খন ৰাজ্য আৰু তিনিখন কেন্দ্ৰীয়শাসিত অঞ্চলৰ ভিতৰত প্ৰথম ৰাজ্য হিচাপে পৰিগণিত হৈছে। নিৰ্বাচন আয়োগে ধাৰ্য কৰা অনুসৰি কাইলৈ গণনা পত্ৰ ডিজিটেল কৰাৰ শেষ দিন। মুখ্য নিৰ্বাচন বিষয়াৰ কাৰ্যালয়ৰ বিষয়াসকলে জনোৱা অনুসৰি ৰাজ্যখনত বৃহস্পতিবাৰে সন্ধিয়া গণনা পত্ৰসমূহৰ ডিজিটেল ৰূপ দিয়াৰ কাম সম্পূৰ্ণ হয়। এই কামৰ বাবে ৩০ মে'ৰ পৰা ৰাজ্যখনৰ এহেজাৰ ৩০১ গৰাকী বুথ পৰ্যায়ৰ কৰ্মী নিয়োজিত হৈ আছিল। চৰকাৰী তথ্য অনুসৰি মিজোৰামত ২০05 চনত হোৱা ভোটাৰ তালিকাৰ পুংখানুপুংখ সংশোধনৰ পাছত ৫ লাখ ৫৯ হাজাৰৰো অধিক ভোটদাতা আছিল। যোৱা বছৰ এই সংখ্যাই ৮ লাখ ৭৫ হাজাৰ অতিক্ৰম কৰে। ইয়াৰে ৪ লাখ ২৩ হাজাৰৰো অধিক পুৰুষ আৰু ৪ লাখ ৫১ হাজাৰ মহিলা ভোটদাতা।

বিষয়াসকলে জনোৱা অনুসৰি ৪৬ হাজাৰৰো অধিক গণনা পত্ৰ বিভিন্ন কাৰণত সংগ্ৰহ কৰা হয়। ৰাজ্যখনত ২১ হাজাৰৰো অধিক ভোটদাতাৰ মৃত্যু হোৱাৰ তথ্য পোহৰলৈ অহাৰ বিপৰীতে ১৪ হাজাৰৰো অধিক ভোটদাতা নিজৰ নিজৰ পূৰ্বৰ স্থানলৈ স্থায়ীভাৱে ঘূৰি যোৱাৰ তথ্য পোৱা হয়। তথ্য অনুসৰি দুহেজাৰ ১০০ অধিক ভোটদাতাই পুনৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰাৰ বিপৰীতে ৮ হাজাৰ ৫০০ৰো অধিক ভোটদাতাৰ সন্ধান পোৱা হোৱা নাই।

০০০০০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই পৰিহলৈ নতুন দিল্লীত কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ পৰিষদৰ ষোড়শ সমাৰোহত অধ্যক্ষতা কৰিব। এই সমাৰোহত ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ স্বাস্থ্য-পৰিয়াল কল্যাণ মন্ত্ৰীসকল, সাংসদসকল, ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ জ্যেষ্ঠ বিষয়াবৰ্গই অংশগ্ৰহণ কৰিব। এই সমাৰোহত স্বাস্থ্যখণ্ডত কেন্দ্ৰ-ৰাজ্যৰ সহযোগিতা শক্তিশালী আৰু বিভিন্ন নীতিসমূহৰ বিষয়ে আলোচনাক প্ৰাধান্য দিয়া হ'ব। চলিত বছৰত এই সমাৰোহখনত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, খাদ্য আৰু ঔষধ সংস্কাৰ আৰু স্বাস্থ্যসেৱাত আলোকপাত কৰা হ'ব। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ৰাজ্য মন্ত্ৰীদ্বয় অনুপ্ৰিয়া পেটেল আৰু প্ৰতাৱ ৰাও যাদৱেও সমাৰোহখনত অংশগ্ৰহণ কৰিব।

০০০০০০০০০

কেন্দ্ৰীয় স্বাস্থ্য  আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই পৰহিলৈ নতুন দিল্লীত স্বাস্থ্য খণ্ডৰ এলানি ডিজিটেল ব্যৱস্থা মুকলি কৰিব। ৰাষ্ট্ৰীয় স্বাস্থ্য কৰ্তৃপক্ষ আৰু ৰাষ্ট্ৰীয় সমল কেন্দ্ৰৰ অধীনত বিকশিত এই ডিজিটেল ব্যৱস্থাৰ জৰিয়তে স্বাস্থ্য সেৱাৰ সম্প্ৰসাৰণ আৰু সমগ্ৰ দেশতে স্বাস্থ্যৰ ক্ষেত্ৰত ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি প্ৰৱৰ্তনৰ লক্ষ্য লোৱা হৈছে। শ্ৰীনাড্ডাই পৰহিলৈ মুকলি কৰিবলগীয়া ব্যৱস্থাসমূহৰ ভিতৰত আছে আৰোগ্য সেতুৰ দ্বিতীয় পৰ্যায়, আয়ুষ্মান সাৰথি চাটব'ট, আয়ুষ্মান এপ, ই-সুশ্ৰুত ক্লিনিক, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযোগ বিনিময় আৰু মানসম্পন্ন স্বাস্থ্য আদি। স্বাস্থ্য  আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এই নতুন ব্যৱস্থাসমূহে দেশৰ স্বাস্থ্য খণ্ডৰ ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি শক্তিশালী কৰি তুলিব।

০০০০০০০০০

পাঞ্জাৱ আৰক্ষীয়ে আজি অমৃতসৰত সীমান্তৰে অবৈধ অস্ত্ৰ-শস্ত্ৰ সৰবৰাহ কৰা এটা চক্ৰ উৎখাত কৰে আৰু ঘটনা সংক্ৰান্তত চাৰিজন অভিযুক্তক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে ধৃত লোককেইজনৰ পৰা কেইবাজাঁই গুলীসহ ১০ টা অত্যাধুনিক পিষ্টল উদ্ধাৰ কৰিছে। বিগত কেইটামান দিনত অমৃতসৰৰ পৰা অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰাৰ এইটো দ্বিতীয়টো ঘটনা। আৰক্ষীয়ে কালি সাতজন লোকৰ পৰা অস্ত্ৰ-শস্ত্ৰ, মাদকদ্ৰব্য আৰু বৃহৎ পৰিমাণৰ হাৱালাৰ ধন জব্দ কৰিছিল। আৰক্ষীয়ে প্ৰকাশ কৰা মতে দুয়োটা ঘটনাতে অভিযুক্তকেইজনে বিদেশস্থিত সৰবৰাহকাৰীৰ নিৰ্দেশ মতে সীমান্তৰে লাভ কৰা অস্ত্ৰ-শস্ত্ৰ অপৰাধীক যোগান ধৰি আহিছিল। ঘটনাৰ তদন্ত অব্যাহত আছে।

০০০০০০০০০

ইজিপ্তে পোনপ্ৰথমবাৰৰ বাবে বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ নক আউট পৰ্যায়ত প্ৰৱেশ কৰিছে। ইৰানৰ সৈতে আমেৰিকাৰ ছিয়াটেলত অনুষ্ঠিত গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেল ১-১ গ'লত ড্ৰ' হোৱাৰ সুবাদত দলটোৱে নক আউট পৰ্যায়ত স্থান লাভ কৰে। ইৰানৰ ৰামিন ৰেজেয়ানক প্লেয়াৰ অব্ দা মেচ হিচাপে ঘোষণা কৰা হয়। ইজিপ্ত নক আউট পৰ্যায়ত অষ্ট্ৰেলিয়াৰ সন্মুখীন হ'ব। খেলখন ড্ৰ' হোৱা সত্বেও ইৰান বৰ্তমানো নক আউট পৰ্যায়ৰ দৌৰত বৰ্তি আছে। গ্ৰুপ জিৰ আন এখন খেলত বেলজিয়ামে নিউজিলেণ্ডক ৫-১ গ'লত পৰাস্ত কৰে। এই জয়েৰে বেলজিয়ামেও নকআউট পৰ্যায়ত স্থান নিশ্চিত কৰিছে। ইয়াৰ পূৰ্বে কাবো ভাৰ্ডে আৰু ছৌদি আৰবৰ মাজৰ গ্ৰুপ-এইচৰ খেলখন গ'লশূন্যভাৱে ড্ৰ' হয়। একেটা গ্ৰুপৰে আন এখন খেলত স্পেইনে উৰুগুৱেক ১-০ গ'লত পৰাস্ত কৰে। প্ৰতিযোগিতাত আজি নিশা আঢ়ৈ বজাত হ'বলগীয়া গ্ৰুপ এলৰ দুখন খেলৰ এখনত পানামা ইংলেণ্ডৰ বিৰুদ্ধে আৰু আনখনত ক্ৰ'ৱেছিয়া ঘানাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদৰে কাইলৈ পুৱা ৫ বজাত হ'বলগীয়া গ্ৰুপ কেৰ দুখন খেলৰ এখনত কলম্বিয়া পৰ্টুগালৰ আৰু কংগো উজবেকিস্তানৰ সন্মুখীন হ'ব।

০০০০০০০০০

ইউ এছ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ দেৱিকা ছিহাগ আৰু ৰৌনক চৌহানে চেমি ফাইনেলত প্ৰৱেশ কৰিছে। কেলিফৰ্নিয়াৰ ফুলাৰটনত অনুষ্ঠিত মহিলাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত দেৱিকা ছিহাগে তৃতীয় বাছনিৰ জাপানৰ ৰিক' গুন্‌জিক ২২-২০, ২০-১৯ পোনপটীয়া গেমত পৰাস্ত কৰে। পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত ৰৌনাক চৌহানে ইজৰাইলৰ মিছা জিলবাৰমেনক ২৩-২১, ২১-১১ গেমত পৰাস্ত কৰি বিজয় সাব্যস্ত কৰে।

বিশ্বৰ প্ৰাক্তন এক নম্বৰ স্থানৰ খেলুৱৈ ভাৰতৰ কিডাম্বি শ্ৰীকান্তে চীনা টাইপেইৰ লিয়াও ঝাও-ফুক ২১-৯, ১২-২১, ২১-৮ গেমত পৰাস্ত কৰি চেমিফাইনেলত প্ৰৱেশ কৰে।

চেমিফাইনেলত ৰৌনক চৌহানে চীনা টাইপেইৰ ছ্যু লি য়াঙৰ বিৰুদ্ধে খেলিব। আনহাতে কিডাম্বি শ্ৰীকান্ত চেমিফাইনেলত জাপানৰ য়ুডাই অ'কিম'ট'ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। মহিলাৰ ছিংগলছৰ চেমিফাইনেলত দেৰিকা ছিহাগ আৰু দ্বিতীয় বাছনিৰ লীনে খ্ৰীষ্টোফাৰ্ছেন মুখামুখি হ'ব।

ooooooooo

লণ্ডনৰ লী-ভেলী হকী এণ্ড চেণ্টাৰত যোৱানিশা অনুষ্ঠিত FIH প্ৰ' লীগ হকী প্ৰতিযোগিতাত ভাৰতে পাকিস্তানক ৭-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। খেলখনৰ প্ৰথম ১৫ মিনিটত পাকিস্তানৰ আবু বাকৰে পেনাল্টি□ কৰ্ণাৰৰ জৰিয়তে প্ৰথমটো গ'ল দিয়ে। ইয়াৰ পাছৰ ১৫ মিনিট'ত ভাৰতৰ সুখজিৎ সিং আৰু হৰমনপ্ৰীত সিঙে এটা গ'ল দি খেলখনত সমতা স্থাপন কৰে। ইয়াৰ পৰৱৰ্তী সময়ত হাৰ্ডিক সিং, যুগৰাজ সিং, অভিষেক, ৰাজ কুমাৰ পল আৰু দিলপ্ৰীত সিঙে এটাকৈ গ'ল দিয়ে।

প্ৰতিযোগিতাত কাইলৈ ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooooo

সমাপ্ত